# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-06-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::**

১। তেলেংগানাৰ চংগা ৰেড্ডী জিলাৰ এটা ঔষধ প্ৰতিষ্ঠানত আজি সংঘটিত এটা বিস্ফোৰণৰ ফলত ১২ গৰাকী শ্ৰমিক নিহত হোৱাৰ লগতে ২৬ গৰাকীৰো অধিক শ্ৰমিক আহত হয়।

২। কেন্দ্ৰীয় চৰকাৰে সাগৰ মালা আঁচনিৰ জৰিয়তে ২০২৯ চনৰ ভিতৰত নৌপথেৰে এক নিযুত যাত্ৰী পৰিবহনৰ অভিলাষী আঁচনি গ্ৰহণ কৰিছে।

৩। কেন্দ্ৰীয় গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সমবায় মন্ত্ৰীসকলৰ মন্থন বৈঠকত অধ্যক্ষতা কৰিছে।

৪। পৰ্যটকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে মেঘালয়ৰ পূৰ খাচী পাহাৰ জিলাৰ উপায়ুক্তই জিলাখনত ট্ৰেকিং কৰাৰ সময়ত পৰ্যটকসকলক বাধ্যতামূলকভাৱে টুৰিষ্ট গাইডৰ সহায় লবলৈ এটা নিৰ্দেশনা জাৰি কৰিছে। ***আৰু***

৫। লণ্ডনৰ অল ইংলেণ্ড ক্লাবত আজিৰে পৰা চলিত বৰ্ষৰ তৃতীয়টো গ্ৰেণ্ডশ্লেম উইম্বলডন টেনিছ প্ৰতিযোগিতা আৰম্ভ হৈছে।

০০০০

তেলেংগানাৰ চংগা ৰেড্ডী জিলাৰ এটা ঔষধ প্ৰতিষ্ঠানত আজি সংঘটিত এটা বিস্ফোৰণৰ ফলত ১২ গৰাকী শ্ৰমিক নিহত হোৱাৰ লগতে ২৬ গৰাকীৰো অধিক শ্ৰমিক আহত হয়। চিগাচি উদ্যোগিক প্ৰতিষ্ঠানত সংঘটিত বিস্ফোৰণটোৰ ফলত সমগ্ৰ প্ৰতিষ্ঠানটো বিধবংসী অগ্নিকাণ্ডৰ কবলত পৰে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ কেইবাটাও দলে উদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে। তেলেংগানাৰ ৰাজ্যিক শ্ৰম মন্ত্ৰী বিবেক ভেংকটাস্বামীয়ে জুইত জাহ যোৱা প্ৰতিষ্ঠানটো পৰিদৰ্শন কৰি বিস্ফোৰণৰ প্ৰকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই বুলি মন্তব্য কৰে। তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেবন্ত ৰেড্ডীয়ে আহতসকলৰ বাবে উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰ দুৰ্ভাগ্যজনক ঘটনাটোত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে নিহতসকলৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে এই মৰ্মান্তিক দুৰ্ঘটনাটো অতিকৈ বেদনাদায়ক আৰু হতাহতসকলৰ পৰিয়ালবৰ্গলৈ সকলো ধৰণৰ সহায় আগবঢ়োৱা হ'ব। তেওঁ লগতে বিস্ফোৰণত আহতসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিগৰাকী নিহত শ্ৰমিকৰ নিকটাত্মীয়লৈ

প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকললৈ ৫০ হাজাৰ টকাকৈ সাহায্য প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে সাগৰ মালা আঁচনিৰ জৰিয়তে ২০২৯ চনৰ ভিতৰত নৌপথেৰে এক নিযুত যাত্ৰী পৰিবহনৰ অভিলাষী আঁচনি গ্ৰহণ কৰিছে। কেন্দ্ৰীয় জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চেন্নাইত প্ৰথম আছিয়ান ইণ্ডিয়া জল পৰিবহন বাৰ্তালাপৰ উদ্বোধন কৰি এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে আছিয়ান দেশসমূহক নৌপথেৰে সংলগ্ন কৰি দেশৰ ৫ হাজাৰ কিলোমিটাৰ নৌপথক বাণিজ্যিকভাৱে কাৰ্যক্ষম কৰি তোলা হ'ব। তেওঁ কয়, যে ২০১৩-১৪ বৰ্ষত দেশত উচ্চ গতিসম্পন্ন জাহাজৰ সঞ্চালন ১০২ টা পথৰ পৰা বৰ্তমান ১৪ হাজাৰ ২৭২ লৈ বৃদ্ধি পাইছে। যোৱা ১১ টা বছৰত চৰকাৰে নৌ পৰিবহন খণ্ডৰ উন্নয়নৰ বাবে নীতিগত, আইনগত আৰু কৰ ব্যৱস্থাৰ সংশোধনী আৰু আন্তঃগাথনি উন্নয়নৰ জৰিয়তে এই সফলতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। গতিসম্পন্ন আৰু বিলাসী জাহাজৰ অধিক প্ৰচলন ভাৰতৰ দক্ষিণ পূব এছিয়াৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰৰূপে গঢ়ি তুলিছে। তেওঁ কয়, যে প্ৰাচীন কালত তামিলনাডুকে ধৰি দেশৰ বিভিন্ন স্থানত থকা ১৬ টা সাগৰীয় বন্দৰৰ জৰিয়তে ভাৰতবৰ্ষৰ চীন, মিছৰ, ইউৰোপৰ একাংশ আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ আৰু ২০৪৫ চনৰ ভিতৰত আছিয়ান কমিউনিটি দৃশ্যপটৰ লক্ষ্যই ভাৰতক আছিয়ান দেশসমূহৰ সৈতে সংযুক্ত কৰাই নহয়, এই দেশকেইখনৰ জনসাধাৰণৰ সৈতেও সম্পৰ্ক মধুৰ কৰি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

০০০০

কেন্দ্ৰীয় গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সমবায় মন্ত্ৰীসকলৰ মন্থন বৈঠকত অধ্যক্ষতা কৰিছে। সমবায় খণ্ডক শক্তিশালী কৰাৰ লক্ষ্যপ্ৰাপ্তিৰ যাত্ৰাৰ অগ্ৰগতিৰ পৰ্যালোচনা, মত বিনিময় আৰু ভৱিষ্যতৰ কাৰ্যপন্থা গঠনৰ ক্ষেত্ৰত এই মন্থন বৈঠক উপযুক্ত মঞ্চৰূপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। বৈঠকৰ সময়ছোৱাত ২ লাখ নতুন বহুমুখী প্ৰাথমিক কৃষি ঋণ সমিতি গঠন, দুগ্ধ আৰু মীন সমবায় সমিতি স্থাপনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হ'ব। খাদ্য সুৰক্ষা আৰু কৃষকৰ ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে সমবায় খণ্ডত বিশ্বৰ সৰ্ববৃহৎ শস্য সংৰক্ষণ আঁচনিৰ ওপৰতো এই বৈঠকতে আলোচনা কৰা হ'ব।

০০০০

সমাগত অমৰনাথ যাত্ৰাৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট কৰ্তৃপক্ষই আজি জম্মুৰ সৰস্বতী ধামত অফলাইন টোকেন বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। এই যাত্ৰাৰ বাবে আগ্ৰহী দৰ্শনাৰ্থীসকলে থিতাতে পঞ্জীয়ন কৰিব পৰা ব্যৱস্থাৰ বাবে প্ৰয়োজনীয় টোকেন লাভ কৰিবলৈ আজি কেন্দ্ৰটোত যথেষ্ট ভিৰ কৰা দেখা যায়। সৰস্বতী ধাম টোকেন কেন্দ্ৰত আজি পেহেলগাম আৰু বালতাল মাৰ্গেৰে যাত্ৰা কৰিবলগীয়া দৰ্শনাৰ্থীসকলক টোকেন প্ৰদান কৰা হয়। যাত্ৰাৰ বাবে অফলাইন পঞ্জীয়ন প্ৰক্ৰিয়া কাইলৈ বৈষ্ণৱী ধাম, পঞ্চায়ত ভৱন আৰু মহাজন সভা কেন্দ্ৰত আৰম্ভ হ'ব।

০০০০

কৈলাস মানসৰোবৰ যাত্ৰা ৫ বছৰৰ বিৰতিৰ অন্তত আজিৰে পৰা পুনৰ আৰম্ভ হৈছে। ক’ভিড-১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিতত ২০২০ চনৰ পৰা এই যাত্ৰা বন্ধ ৰখা হৈছিল। এইবাৰ এই যাত্ৰা ছিকিমৰ নাথুলা পাছ আৰু উত্তৰাখণ্ডৰ লিপুলেখ পাছেৰে আৰম্ভ হ’ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি এই যাত্ৰা আগষ্টলৈকে অব্যাহত থকাৰ সম্ভাৱনা আছে। হিন্দু, জৈন আৰু বৌদ্ধ ধৰ্মাৱলম্বী  লোকসকলে ভগৱান শিৱৰ বাসস্থান কৈলাস পৰ্বতক পৱিত্ৰ বুলি গণ্য কৰি আহিছে। ছিকিম চৰকাৰে যাত্ৰীসকলৰ সুবিধা আৰু সুৰক্ষাৰ বাবে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

পৰ্যটকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে মেঘালয়ৰ পূৰ্ব খাচী পাহাৰ জিলাৰ উপায়ুক্ত তথা জিলা পৰ্যটন প্ৰসাৰ সমিতিৰ অধ্যক্ষই মেঘালয়ত জিলাখনত ট্ৰেকিং কৰাৰ সময়ত পৰ্যটকসকলক বাধ্যতামূলকভাৱে টুৰিষ্ট গাইডৰ সহায় ল’বলৈ এটা নিৰ্দেশনা জাৰি কৰিছে। আজি শ্বিলঙত প্ৰকাশিত এখন জাননীযোগে এই বিষয়ে সদৰি কৰা হৈছে। ট্ৰেকিঙৰ সময়ত কোনো দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হ’লে ইয়াৰ পৰা নিজকে সুৰক্ষিত কৰাৰ ক্ষেত্ৰত পৰ্যটকসকলে যাতে কোনো অসুবিধাৰ সন্মুখীন হ’বলগীয়া নহয়, তাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা বুধবাৰৰ পৰা পঞ্চদেশীয় ভ্ৰমণ কাৰ্যসূচীৰে ঘানা, ত্ৰিনিদাদ আৰু তবাগো, আৰ্জেণ্টিনা, ব্ৰাজিল আৰু নামিবিয়ালৈ যাব। এই সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব দাম্মু ৰবিয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে ২ আৰু ৩ জুলাইত ঘানা ভ্ৰমণ কৰিব আৰু এয়া হ’ব ঘানালৈ শ্ৰীমোদীৰ প্ৰথমটো দ্বিপাক্ষিক ভ্ৰমণ। শ্ৰীৰবিয়ে লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘানাৰ ৰাষ্ট্ৰপতিৰ সৈতেও আলোচনাত অংশগ্ৰহণ কৰিব। দুয়োখন ৰাষ্ট্ৰই শক্তিশালী দ্বিপাক্ষিক অংশীদাৰিত্বৰ পৰ্যালোচনা কৰাৰ লগতে অৰ্থনৈতিক, শক্তি, প্ৰতিৰক্ষা সহযোগিতা আৰু উন্নয়ন সহযোগিতাত অংশীদাৰিত্ব বৃদ্ধি সন্দৰ্ভত আলোচনা কৰিব।

০০০০

লণ্ডনৰ অল ইংলেণ্ড ক্লাবত আজিৰে পৰা চলিত বৰ্ষৰ তৃতীয়টো গ্ৰেণ্ডশ্লেম উইম্বলডন টেনিছ প্ৰতিযোগিতা আৰম্ভ হৈছে। এইবাৰৰ  প্ৰতিযোগিতাত পুৰুষৰ ছিংগলছ্ শাখাত চলিত বৰ্ষৰ ফ্ৰেন্স অ’পেন খিতাপ অৰ্জন কৰা কাৰ্লছ্ আলকাৰাজ, বিশ্বৰ শীৰ্ষস্থানৰ জানিক ছিনাৰ আৰু ২৪ বাৰ গ্ৰেণ্ডশ্লেম খিতাপ অৰ্জন কৰা ন’ভাক জ’ক’ভিচ অন্যতম তাৰকা খেলুৱৈ। আলকাৰাজ নিজৰ প্ৰথম ৰাউণ্ডৰ খেলত ফেবিঅ’ ফগনিনিৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। প্ৰথম ৰাউণ্ডৰ আন এখন খেলত ফ্ৰান্সৰ বেঞ্জামীন বনজিয়ে প্ৰতিযোগিতাৰ নৱম বাচনিপ্ৰাপ্ত তাৰকা খেলুৱৈ ডানিল মেদৱেদেৱক ৭-৬, ৩-৬, ৭-৬, ৬-২ ছেটত পৰাস্ত কৰে।  মহিলাৰ ছিংগলছ্ শাখাত এইবাৰৰ ফ্ৰেন্স অপেন ছেম্পিয়ন কোকো গ’ফ, শীৰ্ষ বাচনিৰ খেলুৱৈ অৰিণা চাবালেংকা, জেছমীন পাওলিনি, মেডিচন কিজ, নাওমি ওচাকা, এমা ৰাদুকানুৱে শক্তিশালী প্ৰতিদ্বন্দীৰূপে অৱতীৰ্ণ হ’ব। পুৰুষৰ দ্বৈত শাখাত ভাৰতৰ চাৰিগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। ৰোহণ বাপান্নাই তেওঁৰ বেলজিয়ামৰ সংগী ছেন্দাৰ গীলেৰ সৈতে আৰু য়ুকী ভাম্ব্ৰি আমেৰিকাৰ ৰবাৰ্ট গেল’ৱেৰ সৈতে প্ৰতিযোগিতাত ভাগ ল’ব। ভাৰতৰ ঋত্বিক বল্লিপালিয়ে ৰোমানিয়াৰ নিকোলাছ বেৰিয়েণ্টছ আৰু এন শ্ৰীৰাম বালাজীয়ে মেক্সিক’ৰ মিগুৱেল ৰেয়েছ ৱৰেলাৰ সৈতে অংশ ল’ব। এই প্ৰতিযোগিতা ১৩ জুলাইত পুৰুষৰ একক শাখাৰ চূড়ান্ত প্ৰতিযোগিতাৰে সামৰণি পৰিব।

০০০০

সমাপ্ত